**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 21-10-2025 **Time :** 1800Hrs.

**ASSAMESE EVENING NEWS**

00000

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত ৫ জনক বাক্সা জিলাৰ নিকাচীত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত সংঘটিত অপ্ৰীতিকৰ ঘটনাৰ বুজ লোৱাৰ বাবে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্থানীয় গাঁওবাসীৰ সৈতে মত বিনিময় কৰে। জিলাখনৰ কুৰেৰী লক্ষ্মী মন্দিৰত আয়োজিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে যোৱা ১৫ অক্টোবৰত জিলা কাৰাগাৰৰ সন্মুখত সংঘটিত ঘটনাত আহত দুজন লোকৰ চিকিৎসাৰ বাবে ২ লাখ টকাকৈ চেক্ প্ৰদান কৰে। দীপক মেধি আৰু বিদ্যুৎ কলিতাৰ চিকিৎসাৰ বাবে পৰিয়ালৰ লোক এই চেক্ প্ৰদান কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে দুয়োজন ব্যক্তিৰ উন্নত চিকিৎসাৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ১৫ অক্টোবৰৰ ঘটনাৰ পাছতে পৰা গাঁওখনৰ বহু যুৱক ঘৰৰ পৰা আঁতৰি থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই যুৱকসকলক ঘৰলৈ ঘূৰি আহি আৰক্ষীক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। কুৰেৰীত থকা লক্ষ্মী মন্দিৰ আৰু শিৱ মন্দিৰৰ বাবে ১০ লাখ টকাকৈ অনুদান আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে আজি ঘোষণা কৰে। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে যোৱা ১৫ অক্টোবৰত সংঘটিত ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দিয়াৰ লগতে জুবিন গাৰ্গক ন্যায় প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিকাৰ দিয়া বুলি কয়।

0000000

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে আজি দেশখনৰ আৰক্ষীৰ সৈতে আলোচনাত মিলিত হয়। এছ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তা আৰু সহকাৰী তদন্তকাৰী বিষয়া তৰুণ গোৱেলে ছিংগাপুৰ আৰক্ষীৰ পৰা জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত যাৱতীয় তথ্য সংগ্ৰহ কৰে। ছিংগাপুৰ আৰক্ষীৰ সৈতে এছ আই টিৰ বিষয়া দুগৰাকীয়ে প্ৰায় ৩ ঘণ্টা আলোচনাত মিলিত হোৱাৰ পাছত আৰক্ষীয়ে এছ আই টিক সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। ৩ মাহৰ ভিতৰত ছিংগাপুৰ আৰক্ষীয়ে তদন্তৰ প্ৰতিবেদন দাখিল কৰিব বুলি প্ৰকাশ কৰিছে। অসমৰ পৰা যোৱা এছ আই টিৰ বিষয়া দুগৰাকীয়ে ইতিমধ্যে জুবিন গাৰ্গ থকা হোটেলখনৰ লগতে দুৰ্ঘটনা সংঘটিত হোৱা স্থান পৰিদৰ্শন কৰিছে।

ইপিনে, শিল্পী সমাজৰ হৈ আৰক্ষীক এজাহাৰ দাখিল কৰা কণ্ঠশিল্পী গীতালী দেৱীৰ আজি সাক্ষ্য এছ আই টিয়ে গ্ৰহণ কৰে। তদন্তকাৰী গোটক সাক্ষ্য দিয়াৰ পাছত কণ্ঠশিল্পীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে তেওঁৰ হাতত থকা সকলো তথ্য এছ আই টিক দাখিল কৰিছে। জুবিন গাৰ্গক ছিংগাপুৰলৈ নিয়া সকলো লোকেই দোষী বুলিও শিল্পীগৰাকীয়ে মন্তব্য কৰিছে।

0000000

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে অহা ৮ নৱেম্বৰত বিশ্বনাথ জিলাৰ ভোলাগুৰিত প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতী নিৰ্মাণস্থলীত ছহিদ কনকলতা বৰুৱা বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰায় ৭৪০ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ বিশ্ববিদ্যালয়খনৰ বাবে অসম চৰকাৰে প্ৰথম পৰ্যায়ত ৩৫০ কোটি টকা ব্যয় কৰিব। উল্লেখযোগ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে ৭ নৱেম্বৰত অসমত উপস্থিত হ'বলগীয়া বিত্তমন্ত্ৰীগৰাকীয়ে কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। ৰাজ্যৰ বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু মুখ্য সচিব ড০ ৰবি কোটাই আজি শ্ৰীমতী সীতাৰমনে আধাৰশিলা স্থাপন কৰিবলগীয়া স্থান পৰিদৰ্শন কৰাৰ উপৰি মন্ত্ৰীগৰাকীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লয়। এই সন্দৰ্ভত বিত্ত মন্ত্ৰী শ্ৰীমতী নেওগে এইদৰে কয়।

**বাইট**

0000000

ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে কাহিলিপাৰাৰ দশম অসম আৰক্ষী ছাউনীত আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে দেশৰ বাবে প্ৰাণ আহুতি দিয়া আৰক্ষীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমীত সিঙকে ধৰি আৰক্ষীৰ শীৰ্ষ বিষয়াসকলেও শ্ৰদ্ধাঞ্জলি জনায়। দিৱস উপলক্ষে আকৰ্ষণীয় পেৰেড অনুষ্ঠিত হয়। আৰক্ষী স্মৃতি দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীলৈ অভিবাদন জ্ঞাপন কৰে। দেশক ৰক্ষা কৰাৰ বাবে আৰক্ষীৰ ত্যাগক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ বিষয়েও মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে সদৰি কৰে। তেওঁ কয়, যে আৰক্ষীৰ নিৰন্তৰ সেৱাই জনসাধাৰণক সুৰক্ষা আৰু নিৰাপত্তা প্ৰদান কৰি আহিছে।

তিনিচুকীয়া আৰক্ষী ছাউনীটো আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। একেদৰে যোৰহাট আৰক্ষীয়েও স্মৃতি দিৱস পালন কৰে। জিলাখনৰ আৰক্ষী অধীক্ষককে ধৰি বিষয়াবৰ্গই সাহসী জোৱানসকললৈ শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০০০০

অসম চৰকাৰৰ শিক্ষা, ভৈয়াম, জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি বিজেপিৰ ধেমাজি জিলা সমিতিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এন ডি এ মিত্ৰ দলৰ এখন সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। সভাত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায়ৰ বাবে অহা ২৪ অক্টোবৰত ধেমাজিত উলিয়াবলগীয়া  সমদল সন্দৰ্ভতো আলোচনা কৰা হয়। এই সভাত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, জোনাইৰ বিধায়ক ভূবন পেগু, সন্মিলিত গণশক্তিৰ সভাপতি পৰমানন্দ চায়েংগীয়া, বিজেপিৰ জিলা সমিতিৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। মন্ত্ৰী ডাঃ পেগুৱে আজি ধেমাজিৰ মাছখোৱা স্নাতক মহাবিদ্যালয়ৰ এটা জনজাতীয় ছাত্ৰীৰ বাবে নিৰ্মাণ হ'বলগীয়া এটা নিৱাসৰো আধাৰশিলা স্থাপন কৰে।

০০০০০০০

**সমাপ্ত**